# শতবৰ্ষ গৰকা উপন্যাস 'মনোমতী'

**ডঃ চিত্ৰজিৎ শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দুলীয়াজান মহাবিদ্যালয়
ফোন নং ৭০০২৪ ৮৪৫২২

ইতিহাসক বৰভেটি হিচাপে লৈ বিশ্ব-সাহিত্যত সাহিত্যৰ বিভিন্ন শাখাই পূৰ্ণ বিকাশ বা বিস্তাৰ লাভ কৰা দেখা যায়। ইংৰাজী সাহিত্যত ৱাল্টাৰ স্কট, বঙলা সাহিত্যত বংকিমচন্দ্ৰ, ৰবীন্দ্ৰনাথৰ সৰহভাগ উপন্যাসেই বুৰঞ্জীমূলক। অসমীয়া সাহিত্যতো উপন্যাস সাহিত্যৰ সূচনা হয় ইতিহাসৰ সমলক কেন্দ্ৰ কৰি।

ঊনবিংশ শতিকাৰ শেষ দশকত 'জোনাকী' আলোচনীৰ তৃতীয় বছৰ প্ৰথম সংখ্যাৰ পৰা অৰ্থাৎ ১৮৯১ খ্ৰীঃৰ জানুৱাৰী মাহৰ সংখ্যাৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদ্মকুমাৰী' উপন্যাস ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। পিছত গ্ৰন্থাকাৰে ওলাওঁতে উপন্যাসখনৰ নাম 'পদুম কুঁৱৰী' (১৯০৫) কৰা হৈছিল।

১৮৯১ চনতে পদ্মনাথ গোহাঁই বৰুৱাৰ 'ভানুমতী' নামৰ উপন্যাসখনো 'বিজুলী'ত ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল।

অসমীয়া সাহিত্যত এলানি বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰি উপন্যাস সাহিত্যৰ জয়যাত্ৰা সূচনা কৰিছিল ৰজনীকান্ত বৰদলৈদেৱে। বৰদলৈৰ প্ৰথম ঐতিহাসিক উপন্যাস 'মনোমতী' বুৰঞ্জীয়ে দি থৈ যোৱা সময় বা পুনৰ নতুনকৈ পোহৰাই তোলা এখন মানস চিত্ৰ। 'মনোমতী' উপন্যাসখন প্ৰকাশ পাইছিল ১৯০০ চনত। স্বাভাৱিকতেই বৰদলৈৰ 'মনোমতী' উপন্যাসখনে শতবৰ্ষ অতিক্ৰম কৰিলে।

অসম বুৰঞ্জীৰ অতিশয় গুৰুত্বপূৰ্ণ সময়ৰ পৰা বিষয়বস্তু গ্ৰহণ কৰা ৰজনীকান্ত বৰদলৈৰ আনকেইখন উপন্যাস হৈছে — 'ৰঙ্গিলী' (১৯২৫), 'তাম্ৰেশ্বৰী মন্দিৰ' (১৯২৫), 'ৰাধা ৰুক্মিণীৰ ৰণ' (১৯২৫), 'নিৰ্মল ভকত' (১৯২৬), 'দ্বন্দুৱাদ্ৰোহ' (১৯২৮) আৰু 'ৰহদৈ লিগিৰী' (১৯৩০)।

মানৰ তৃতীয় আক্ৰমণৰ পটভূমিত ৰচিত ৰজনীকান্ত বৰদলৈৰ প্ৰথম ঐতিহাসিক উপন্যাস 'মনোমতী'। ১৯০০ চনত প্ৰকাশ লাভ কৰা বৰদলৈৰ 'মনোমতী'ক অসমীয়া উপন্যাস সাহিত্যৰ জন্ম আৰু বিকাশৰ ফালৰ পৰা এটা সীমা নিৰ্ধাৰক চিহ্ন বুলিব পাৰি।

অতীতক পুনৰ নতুনকৈ চোৱাৰ হেঁপাহ ৰোমাণ্টিক প্ৰেৰণাৰ ফল। ঐতিহাসিক উপন্যাস সৃষ্টিত ৰজনীকান্ত বৰদলৈ পাশ্চাত্য ৰোমাণ্টিক সাহিত্যিক ৱাল্টাৰ স্কটৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত।

ঐতিহাসিক উপন্যাসৰ প্ৰয়োজনীয় দিশটো হ'ল — লেখকৰ ইতিহাস চেতনা। অতীত কেৱল অতীতৰ সৈতেই নহয় বৰ্তমানেৰেও সম্পৃক্ত। এই চেতনাই পাঠকৰ মনলৈ আত্মবিশ্লেষণৰ ভাৰ কঢ়িয়ায়। ইয়াতেই প্ৰস্ফুটিত হয় ঐতিহাসিক উপন্যাসৰ সাৰ্বজনীনতা। এটা নিৰ্দিষ্ট যুগক অতিক্ৰম কৰি যাব পৰা ক্ষমতা। 'মনোমতী' অসম বুৰঞ্জীৰ অৱলম্বনত ৰচিত হ'লেও উপন্যাসখন ইতিহাসৰ পোনপটীয়া প্ৰভাৱেৰে পুষ্ট নহয়। বুৰঞ্জীৰ লগত সংগতি ৰাখি ঘটনাৰ ক্ৰম ৰক্ষিত হৈছে। উপন্যাসখনৰ চৰিত্ৰবোৰ কল্পনাৰে উমাল।

ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনৰ ঘাই বিষয়বস্তু সংক্ষেপে এনেধৰণৰ — পুৰুষাণুক্ৰমে বিবদমান দুটি পৰিয়ালৰ যুৱক-যুৱতী লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰেম। বৰপেটাৰ দৌল উছৱত লক্ষ্মীকান্ত আৰু বৰনগৰীয়া বৰুৱাৰ ধৰ্মীয়া কন্যা মনোমতী দুয়ো-দুয়োৰে প্ৰতি আকৰ্ষিত হয়। কিন্তু বিবদমান এই পৰিয়াল দুটিৰ ডেকা-গাভৰুৰ প্ৰণয়ত ভয়াবহ ৰাজনৈতিক ধুমুহাই নিমিষতে খেলিমেলি লগালে। মানৰ আক্ৰমণে দুয়োকে ঘনিষ্ঠভাৱে কাষ চাপিবলৈ সুবিধা দিয়াৰ লগতে পিছমুহূৰ্ততে দুয়োকে সংকটৰ মাজলৈও ঠেলি দিছে। উপন্যাসখন দুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডটোত পৰিয়াল দুটাৰ মাজত থকা অৰিয়াঅৰি মনোভাৱ আৰু দ্বিতীয় খণ্ডটোত মানৰ আক্ৰমণ। হুলকান্ত বৰুৱাই বৰনগৰীয়া চণ্ডী বৰুৱাক এসেকা দিবলৈ গৈ মনোমতী, পমীলা, শান্তিৰাম ভকত আৰু চণ্ডী বৰুৱাক মানৰ হাতত সঁপি দি আত্মসন্তুষ্টি লাভ কৰিছে। কিন্তু লক্ষ্মীকান্ত যে সেই বন্দীসকলৰে এজন আছিল সেই কথা তেওঁ পলমকৈহে জানিব পাৰিলে।

উপন্যাসখনৰ দ্বিতীয় খণ্ডত মানৰ হাতৰ পৰা বন্দীসকল মুক্ত হৈছে আৰু লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন হৈছে। এই খণ্ডত শান্তিৰাম আৰু পদুমীৰ সম্পৰ্কও পাঠকৰ দৃষ্টিত ধৰা দিছে। এই উদ্ধাৰ কাৰ্যত পদুমীৰ প্ৰচেষ্টা আৰু শান্তিৰামৰ কাৰ্য উল্লেখযোগ্য। কৌশলপূৰ্ণভাৱে পমীলাই ঘটনাক সুখাত্মক পৰিণতি প্ৰদান কৰিছে।

'মনোমতী' উপন্যাসখনত এফালে অসমীয়া প্ৰজাৰ ওপৰত মানৰ পৈশাচিক অত্যাচাৰ, প্ৰতিষ্ঠাৱান লোকসকলৰ পাৰস্পৰিক হিংসা, সাধাৰণ চমুৱাপাইক, গোসাঁই-ভকত, চাহ খেতিয়কেও তৰ্কত লিপ্ত হৈ সংকটৰ মুহূৰ্তত ঐক্যবদ্ধ হ'ব নোৱাৰা অৱস্থাৰ চিত্ৰণ, আনফালে অসমৰ জীৱন যাত্ৰা, ৰীতি-নীতি, পূজা-পাৰ্বণ আদিও চিত্ৰিত কৰিছে। দৌল উৎসৱৰ বিৱৰণ, মানৰ উপদ্ৰৱ, কীৰ্তনঘৰৰ মেল আদি সামাজিক চিত্ৰ আৰু ৰাজনৈতিক ঘটনা সন্নিৱিষ্ট হৈছে। এই বিৱৰণবোৰ কাহিনী বিকাশৰ বাবে অপৰিহাৰ্য নহ'লেও ঔপন্যাসিকে সেই সময়ৰ ধৰ্মীয়, সামাজিক আৰু ঘৰুৱা অৱস্থা প্ৰদৰ্শনৰ উদ্দেশ্যতেই কাহিনীৰ ডালে-পাতে আঁৰি দিছে।

শতবৰ্ষ অতিক্ৰম কৰা ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনৰ কেইটামান বৈশিষ্ট্য চকুত পৰে। যথা —

১) ৱাল্টাৰ স্কটৰ উপন্যাসতেই পোনপ্ৰথমে পৰিৱেশক উপন্যাসৰ ঘটনা প্ৰৱাহৰ অতিশয় প্ৰয়োজনীয় উপাদান কৰি তোলা হৈছে। ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনতো অসমৰ বৰপেটা জিলাৰ বিভিন্ন প্ৰাকৃতিক পৰিৱেশ, নদ-নদীৰ নিজা সৌন্দৰ্যই প্ৰকাশ লাভ কৰিছে। নায়ক-নায়িকাৰ মানসিক অৱস্থাৰ বৰ্ণনাত প্ৰকৃতিৰ আশ্ৰয় লোৱা সাহিত্য জগতৰ এটা ৰীতি। অসমীয়া বিহুগীতবোৰ সুৱদি সুৰীয়া আৰু প্ৰাণ উতলোৱা। 'মনোমতী' উপন্যাসত শান্তিৰাম আৰু পদুমী বিহুবলীয়া এহাল যুৱক-যুৱতী। আনহাতে লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰাণতো প্ৰণয়ৰ অংকুৰণ ঘটে ফাগুনৰ ফাকুৱাৰ ৰাগ ৰঞ্জিত আকাশৰ তলতহে। বৰদলৈৰ 'মনোমতী' উপন্যাসত প্ৰাকৃতিক পৰিৱেশক বিভিন্ন চৰিত্ৰৰ মানসিক অৱস্থা প্ৰকাশক প্ৰতীকস্বৰূপে প্ৰয়োগ কৰা বুলিব পাৰি।

২) ঐতিহাসিক উপন্যাসক প্ৰাণৱন্ত আৰু ৰস সমৃদ্ধ কৰি তোলে উপন্যাসত বৰ্ণিত ইতিহাসকালৰ সমাজ সাংস্কৃতিক জীৱনৰ সাৰ্থক প্ৰতিফলনে। বৰদলৈৰ 'মনোমতী' উপন্যাস প্ৰাচীন অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশ অধ্যয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ। পাশ্চাত্য শিক্ষা, বঙলুৱা ৰীতি-নীতিৰ প্ৰতি সজাগতা উপন্যাসখনত দেখা যায়। অসমীয়া সমাজ শাক্ত, বৈষ্ণৱ, তান্ত্ৰিক আদি বিভিন্ন ধৰ্মমতৰ প্ৰচলনেৰে সাংস্কৃতিকভাৱে পৰিপূৰ্ণ। 'মনোমতী' উপন্যাসৰ পৰিমণ্ডল বৰপেটা থান, কীৰ্তনঘৰ আৰু ফাকুৱাৰ বৰ্ণনাৰে অসমীয়া ধৰ্মীয় সমাজৰ মূল্যৱান ৰূপায়ণ।

৩) 'মনোমতী' উপন্যাসত শ্বেইক্সপীয়েৰৰ ৰোমিও জুলিয়েটৰ প্ৰভাৱ পৰিছে বুলি মহেশ্বৰ নেওগদেৱে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ত উল্লেখ কৰিছে। দুটা শত্ৰুভাৱাপন্ন পৰিয়ালৰ ডেকা-গাভৰু লক্ষ্মীকান্ত আৰু মনোমতীৰ মাজত ভালপোৱাৰ অনুৰাগ সৃষ্টিৰ ক্ষেত্ৰত ৰোমিও আৰু জুলিয়েটৰ কিছু সাদৃশ্য আছে।

৪) পমীলা আৰু মনোমতীৰ সন্মুখত ঊষা আৰু চিত্ৰলেখাৰ প্ৰভাৱৰ কথা ঔপন্যাসিকে নিজেই উল্লেখ কৰিছে। হলকান্তই জৰীয়া বাবাজীৰ ওচৰত আশীৰ্বাদ বিচৰা কথাৰ লগত বাণে সদাশিৱৰ পৰা লোৱা আশীৰ্বাদৰ কথাৰো সাদৃশ্য নথকা নহয়। উপন্যাসখনৰ এই চৰিত্ৰবোৰ পুৰণি কাব্যৰ চৰিত্ৰৰ আৰ্হিত চিহ্নিত কৰা হৈছে।

৫) ৰজনীকান্ত বৰদলৈৰ দৃষ্টিত উপন্যাসৰ প্ৰধান অংগ হৈছে প্ৰেম। 'মনোমতী' উপন্যাসখনত আদৰ্শ প্ৰেমৰ ছবি অংকিত হৈছে। বহু সময়ত এই প্ৰেমৰ স্বৰূপ কৃষ্ণ-ৰুক্মিণীৰ প্ৰেমৰ দৰে হৈ পৰিছে। নানা দুখ-কষ্ট আৰু দুৰ্যোগৰ মাজেদি লক্ষ্মীকান্ত আৰু মনোমতীৰ ভালপোৱাই বৈবাহিক সম্বন্ধৰ মাজেৰে পৰিপূৰ্ণতা লাভ কৰিছে। শান্তিৰাম আৰু পদুমীৰ প্ৰেম নিঃস্বাৰ্থ প্ৰেম। প্ৰেমৰ পূৰ্বৰাগ-অনুৰাগ মিলন প্ৰদৰ্শন কৰোঁতে ঔপন্যাসিক যেন সততে সামাজিক বন্ধন আৰু পৰম্পৰাগত প্ৰথাৰ প্ৰতি সচেতন।

৬)) স্বদেশপ্ৰেম ঐতিহাসিক উপন্যাস ৰচনাৰ ঘাই চালিকা শক্তি। বৰদলৈয়ে ঐতিহাসিক উপন্যাস 'মনোমতী'ৰ মাজেদি অসমীয়া জনগণৰ অন্তৰত জাতীয়তাবাদ আৰু স্বদেশপ্ৰেমৰ মনোভাৱ উদ্বুদ্ধ কৰাৰ প্ৰয়াস কৰিছিল। বদনচন্দ্ৰ আৰু পূৰ্ণানন্দৰ সামন্ত বিৰোধৰ ফলত মানে অসম আক্ৰমণ কৰিবলৈ সুৰুঙা পোৱা কথাটো ইতিহাসপ্ৰসিদ্ধ।

৭) উপন্যাসখনত সপোনৰ কৌশল প্ৰয়োগ কৰা হৈছে। কমলা বায়নৰ সপোনৰ দ্বাৰা লেখকে উপন্যাসৰ কাহিনীক গভীৰ তাৎপৰ্য দিবলৈ চেষ্টা কৰিছে। 'মনোমতী' উপন্যাসখনৰ মাজেদি লেখকে নৈতিকতাৰ এক ভিত্তি স্থাপন কৰিবলৈ সক্ষম হৈছে।

৮) ৰজনীকান্ত বৰদলৈৰ 'মনোমতী'ৰ এক অন্যতম প্ৰধান বিশেষত্ব হৈছে চৰিত্ৰাংকণ। 'মনোমতী' উপন্যাসৰ পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰবোৰ অধিক কাৰ্যক্ষম আৰু গতিশীল। অৱশ্যে 'মনোমতী' উপন্যাসৰ নাৰী চৰিত্ৰবোৰে নাৰী মনস্তত্ত্বৰ সকলোবোৰ দিশ প্ৰকাশ কৰা নাই। এই নাৰী চৰিত্ৰবোৰে ইতিহাস আৰু ঔপন্যাসিকৰ সমকালৰ অসমীয়া নাৰীৰ পৰম্পৰাগত বৃত্তৰ পৰা কিছু মুক্ত হোৱাৰ প্ৰচেষ্টা অৱশ্যে কৰিছে।

ঐতিহাসিক উপন্যাস হিচাপে 'মনোমতী' উপন্যাসৰ দুটি উজ্জ্বল নাৰী চৰিত্ৰ হ'ল — পদুমী আৰু পমীলা। মনোমতী চৰিত্ৰটোক কেন্দ্ৰীভূত কৰিয়েই উপন্যাসখনৰ ঘটনাবোৰ প্ৰৱাহিত হৈছে। যদিও প্ৰয়োজন অনুসাৰে মনোমতী

চৰিত্ৰটো সক্ৰিয় নহয়। নাৰীৰ স্বাভাৱিক লজ্জাবোধেৰে মানোমতী আচ্ছন্ন। পমীলাৰ যোগেদিয়েই মনোমতীৰ মনৰ ভাৱবোৰ প্ৰকাশিত হৈছে। কিন্তু মান সেনাপতি মিঙ্গিমাহাৰ হাতৰ পৰা নিজক ৰক্ষা কৰাৰ ক্ষেত্ৰত মনোমতী চৰিত্ৰটোৰ সাহস আৰু দৃঢ়তাৰ সুন্দৰ নিদৰ্শন পোৱা যায়।

'মনোমতী' উপন্যাসখনৰ 'পদুমী' এটি অন্যতম আকৰ্যণীয় চৰিত্ৰ। পদুমী আদৰ্শপ্ৰাণা যুৱতী। উপন্যাসখনত বহু সময়ত এই চৰিত্ৰটোৰ স্বাধীনতা অপহৃত হৈছে। নিজৰ সৰ্বস্ব হেৰুৱায়ো পদুমী যেন কিবা মহত্তম বস্তু পোৱাৰ আশাত আৰু বন্দিত্বৰ মাজতে মুক্তি সাধনৰ চেষ্টাত ব্ৰতী। পদুমী এগৰাকী নিঃস্বাৰ্থ প্ৰেমিকা। পদুমী চৰিত্ৰটোৰ যোগেদি ঔপন্যাসিকে নাৰী জীৱনৰ এক বিশেষ গৰিমা আৰু তাৎপৰ্য ফুটাই তুলিছে।

উপন্যাসখনৰ আন এটা মনোৰম চৰিত্ৰ হ'ল পমীলা। দৈহিক সৌন্দৰ্য আৰু হৃদয় বৃত্তিৰে এই চৰিত্ৰটো সমুজ্জ্বল। উপন্যাসখনত পমীলা, লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰেমৰ যোগসূত্ৰ। পমীলাই শান্তিৰাম আৰু পদুমীৰ কথা জানিও পদুমীৰ মৃত্যুৰ পিছত তেওঁৰ সৈতে বিয়া হৈছে। পমীলা যুক্তিবাদী মনৰ চৰিত্ৰ।

'মনোমতী' উপন্যাসখনত পুৰুষ চৰিত্ৰৰ ভিতৰত লক্ষ্মীকান্ত, শান্তিৰাম ভকত, হলকান্ত — এই চৰিত্ৰকেইটাই প্ৰধান। উপন্যাসখনৰ নায়ক হিচাপে লক্ষ্মীকান্তৰ চৰিত্ৰটো অধিক সবল হোৱাৰ থল আছিল। মানৰ লগত সাহসেৰে যুঁজ কৰাৰ বাহিৰে লক্ষ্মীকান্ত প্ৰায়ে ঘটনাৰ সোঁতত প্ৰৱাহিত। ঘটনাক নিয়ন্ত্ৰণ কৰিব পৰাকৈ তেওঁৰ চৰিত্ৰত উদ্যম পৰিলক্ষিত হোৱা নাই।

শান্তিৰাম চৰিত্ৰটোৰ জীৱনৰ অন্তৰ্দ্বন্দ্বৰ বহুতো সম্ভাৱনা থকা সত্ত্বেও ঔপন্যাসিকে চৰিত্ৰটোৰ মনোজগতলৈ ভুমুকি মৰা নাই।

হলকান্ত চৰিত্ৰটোক লেখকে অনুশোচনাৰ দ্বাৰা পৰিশুদ্ধ কৰি তুলিছে। সন্ন্যাসী জীৱনক গ্ৰহণ কৰা দৃষ্টিকোণৰ পৰা হলকান্ত চৰিত্ৰটোৰ সবল দিশ ফুটি উঠিছে।

উপন্যাসখনৰ বাকী চৰিত্ৰসমূহ বিশেষ গুৰুত্বপূৰ্ণ নহয়। কাহিনী আগবঢ়াই নিয়াৰ ক্ষেত্ৰতহে প্ৰত্যেকটো চৰিত্ৰৰে কিছু সহায় মন কৰিবলগীয়া।

'মনোমতী' উপন্যাসৰ পটভূমিৰ ঐতিহাসিক কাহিনী জনশ্ৰুতিমূলক। কিন্তু অধিকাংশই কাল্পনিক। ঐতিহাসিক উপন্যাসৰ চমৎকাৰিত্ব আৰু ৰমণীয়তা বহু পৰিমাণে নিৰ্ভৰ কৰে ঐতিহাসিক তথ্য পুঞ্জিৰ লগত কাল্পনিকতাৰ সমন্বয় সাধনত।

জোনাকী যুগৰ ৰোমাণ্টিক ভাৱশক্তিৰে আৱিষ্ট বৰদলৈৰ 'মনোমতী' উপন্যাসত সমকালীন সাহিত্যৰ আদৰ্শ ধ্বনিত হৈছে। ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসে অসমীয়া উপন্যাসলৈ প্ৰকৃত গভীৰতা কঢ়িয়াই আনিছিল বুলিব পাৰি।

বুৰঞ্জী পূৰ্ণমাত্ৰাই তথ্যসৰ্বস্ব। কিন্তু বুৰঞ্জীমূলক উপন্যাস আংশিকভাৱে হ'লেও প্ৰধানতঃ কল্পনানিষ্ঠ। এই ফালৰ পৰা বৰদলৈৰ 'মনোমতী'য়ে সাফল্য অৰ্জন কৰিছে।

> অসমৰ অতীত কালৰ বুৰঞ্জী নানা ঘটনাৰে পৰিপূৰ্ণ। এই বুৰঞ্জীৰ সৌন্দৰ্য বৰ্ণনাই উপন্যাস
> লিখিবলৈ ছাৰ ৱাল্টাৰ স্কট, বংকিম চাটুৰ্জিৰ দৰে প্ৰতিভাশালী সাহিত্যিকৰ অভাৱ।
> — এয়া ৰজনীকান্ত বৰদলৈৰ আক্ষেপ।

ঊনবিংশ আৰু বিংশ শতিকাৰ আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস মেলি বৰ্তমান আমি উপলব্ধি কৰোঁ দৰাচলতে বৰদলৈয়ে বিচাৰি ফুৰা প্ৰতিভাশালী সাহিত্যিকজন তেওঁ নিজেই। ৰজনীকান্ত বৰদলৈয়ে শতবৰ্ষ গৰকা 'মনোমতী' উপন্যাসখনেৰে আৰম্ভ কৰা ঐতিহাসিক উপন্যাস সমগ্ৰই অসমীয়া সাহিত্যত এজন ৱাল্টাৰ স্কট বা বংকিমচন্দ্ৰৰ শূন্যতা পৰিপূৰ্ণ কৰি নিজকে 'উপন্যাস সম্ৰাট' ৰূপে অসমীয়া জনমানসত চিৰস্মৰণীয় কৰি ৰাখিলে।